# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-APR-2026
**Time :** 1910 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। পশ্চিমবংগত কাইলৈ প্ৰথম পৰ্যায় আৰু তামিলনাডুৰ এটা পৰ্যায়ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

২। দেশত তেল আৰু গেছৰ নিৰন্তৰ যোগান সুনিশ্চিত কৰা হৈছে বুলি চৰকাৰে প্ৰকাশ কৰিছে।

৩। পেহেলগামত যোৱা বছৰ সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ আজি বৰ্ষপূৰ্তি উপলক্ষে কূটনীতিবিদ আৰু বিদেশী ৰাষ্ট্ৰদূতসকলে নিহতসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

৪। অটল পেঞ্চন যোজনাৰ অন্তৰ্গত গ্ৰাহকৰ সংখ্যাই কালিলৈকে ৯ কোটি স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্‌ ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব।

ooooo

কাইলৈ হ'বলগীয়া পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। ৰাজ্যখনত এই পৰ্যায়ত ১৬ খন জিলাৰ ১৫২টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। সমষ্টিকেইটাত এহেজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত ১৬৭ গৰাকী মহিলা আছে। নিৰ্বাচন আয়োগে মুক্ত, নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন সুনিশ্চিত কৰাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ৪৪ হাজাৰ ৩৭৬টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে ভিতৰত ৫ হাজাৰ ৪৪৪টা ভোটগ্ৰহণ কেন্দ্ৰ অকল মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত অহা ২৯ এপ্ৰিলত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

ইপিনে তামিলনাডুত কাইলৈ ২৪৩ খন বিধানসভা আসনৰ বাবে একেটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। এইবাৰৰ নিৰ্বাচনত ৰাজ্যখনৰ ৫ কোটি ৭৩ লাখ ৪৩ হাজাৰৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব।

ooooo

নিৰ্বাচন আয়োগে তামিলনাডু আৰু পশ্চিম বংগত হ'বলগীয়া বিধানসভা নিৰ্বাচন আৰু উপ-নিৰ্বাচনৰ প্ৰাক্-মূহুৰ্তত এহেজাৰ কোটিতকৈও অধিক মূল্যৰ সা-সামগ্ৰী জব্দ কৰিছে। আয়োগে জনোৱা মতে যোৱা ফেব্ৰুৱাৰী মাহত নিৰ্বাচন বিভিন্ন আপত্তিজনক সা-সামগ্ৰী জব্দ কৰাৰ ব্যৱস্থাপনা কাৰ্যকৰী হোৱাৰ পাছতে পৰা পশ্চিম বংগত নগদ ধন, সুৰা, মাদক দ্ৰব্য, মূল্যৱান ধাতুকে ধৰি ৪৭২ কোটি টকাতকৈও অধিক মূল্যৰ সা-

সামগ্ৰী জব্দ কৰাৰ তথ্য পোৱা গৈছে। ইপিনে, তামিলনাডুত ৫৯৯ কোটি টকাৰ সামগ্ৰী জব্দ কৰা হয়। আয়োগে জনোৱা মতে নিৰ্বাচনী আচৰণ বিধি যাতে কঠোৰভাৱে বলৱৎ কৰা হয় সেইটো সুনিশ্চিত কৰাৰ বাবে দুয়োখন ৰাজ্যতে ৫ হাজাৰ ৩০০তকৈও অধিক নিৰীক্ষণ বাহিনী নিয়োগ কৰা হৈছে। আয়োগে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্বাচন যাতে মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰিব পৰা যায় তাৰ বাবে যাৱতীয় নিৰ্দেশনা জাৰি কৰিছে। নিৰ্বাচনী আচৰণ বিধি সম্বন্ধীয় বিভিন্ন বিষয় চোৱাচিতা কৰাৰ বাবে জিলা ওজৰ-আপত্তি সমিতি গঠন কৰা হৈছে।

ooooo

দেশত তেল আৰু গেছৰ নিৰন্তৰ যোগান সুনিশ্চিত কৰা হৈছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। পশ্চিম এছিয়াৰ সংঘৰ্ষ সন্দৰ্ভত নতুন দিল্লীত আয়োজিত এখন আন্তঃমন্ত্ৰালয়ৰ বৈঠকত আজি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয়, যে চৰকাৰে দেশত ৰন্ধন গেছ, পি এন জি, পেট্ৰ'ল আৰু ডিজেলৰ স্বাভাৱিক যোগান সুনিশ্চিত কৰাৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয়, যে ঘৰুৱা ৰন্ধন গেছৰ যোগান স্বাভাৱিক হৈ আছে আৰু কালিৰ দিনটোত ৪৫ লাখৰো অধিক ঘৰুৱা ৰন্ধন গেছৰ বুকিং কৰাৰ লগতে প্ৰায়ে ৫১ লাখ ৰন্ধন গেছৰ চিলিণ্ডাৰ বিতৰণ কৰা হৈছে। কালিৰ দিনটোত ৮ হাজাৰ টনৰো অধিক ব্যৱসায়িক ৰন্ধন গেছ বিক্ৰী হৈছে বুলি সচিবগৰাকীয়ে প্ৰকাশ কৰে।

বৈঠকত উদ্যোগ আৰু অন্তৰ্বৰ্তী বাণিজ্য সংবৰ্ধন বিভাগৰ যুটীয়া সচিব নিধি কেশৰৱাণীয়ে পশ্চিম এছিয়াৰ সংঘৰ্ষৰ মাজত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহত আলোকপাত কৰে। তেওঁ কয়, যে পেট্ৰ'লিয়াম আৰু বিস্ফোৰক সুৰক্ষা সংস্থাৰ অধীনত তেওঁলোকৰ বিভাগে ইন্ধন আৰু গেছৰ যোগান যাতে নিৰৱচ্ছিন্নভাৱে অব্যাহত থাকে তাৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লৈছে। তেওঁ লগতে কম্প্ৰেছড আৰু প্ৰাকৃতিক গেছ তথা জৈৱ গেছৰ অধীনত বিতৰণ কেন্দ্ৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা হৈছে বুলি জানিবলৈ দিয়ে।

ooooo

পেহেলগামত যোৱা বছৰ সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ আজি বৰ্ষপূৰ্তি উপলক্ষে কূটনীতিবিদ আৰু বিদেশী ৰাষ্ট্ৰদূতসকলে নিহতসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে যোৱা বছৰৰ আজিৰ দিনটোতে কাশ্মীৰৰ পেহেলগামত পাকিস্তানী সন্ত্ৰাসবাদীয়ে কৰা বিধবংসী আক্ৰমণত ২৬জন পৰ্যটকে প্ৰাণ হেৰুৱাইছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ এবছৰ হোৱা উপলক্ষে এই আক্ৰমণত নিহত লোকসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয় যে দেশত সন্ত্ৰাসবাদীৰ সকলোধৰণৰ কাৰ্য দৃঢ়তাৰে প্ৰতিহত কৰা হ'ব।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে সন্ত্ৰাসবাদীসকলে চলোৱা ভয়ংকৰ আৰু কা-পুৰুষালী আক্ৰমণত নিৰ্দোষী লোকে প্ৰাণ হেৰুওৱাৰ ঘটনা দেশবাসীয়ে মনত ৰাখিছে। তেওঁ কয় যে এই আক্ৰমণত নিহত লোকসকলৰ কথা সদায় মনত ৰখা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দেশে কোনোধৰণৰ সন্ত্ৰাসবাদী কাৰ্য সহ্য নকৰে আৰু সন্ত্ৰাসবাদীসকলৰ ভয়ংকৰ ভৱিষ্যৎ পৰিকল্পনা কেতিয়াও সফল নহয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা আৰু মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাইও এই ঘটনাত নিহত লোকসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে।

সংবাদ মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে ভাৰতত থকা অষ্ট্ৰেলিয়াৰ উচ্চায়ুক্ত ফিলিপ গ্ৰীণে কয় যে ভাৰতীয় নাগৰিকসকলৰ এই দুখৰ সময়ত অষ্ট্ৰেলিয়াৰ নাগৰিকসকল তেওঁলোকৰ লগত আছে আৰু একেলগে এই সন্ত্ৰাসবাদী আক্ৰমণত নিহত লোকসকলক স্মৰণি কৰিছে। তেওঁ লগতে অষ্ট্ৰেলিয়াই যিকোনো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে সদায় যুঁজ দি যাব। ব্ৰিটেইনৰ লগতে ফ্ৰান্সেও এই ঘটনাক স্মৰণ কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে কৰা ভাৰতে প্ৰতিখন যুঁজত একেলগে থিয় দিব বুলি জানিবলৈ দিয়ে।

ooooo

অটল পেন্সন যোজনাৰ অন্তৰ্গত গ্ৰাহকৰ সংখ্যাই কালিলৈকে ৯ কোটি স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে জনোৱা মতে যোৱা বিত্তীয় বৰ্ষত এই সদস্যভুক্তিৰ সংখ্যাই ১ কোটি ৩৫ লাখ অতিক্ৰম কৰি এটা বিত্তীয় বৰ্ষত আটাইতকৈ বেছি গ্ৰাহকৰ অন্তৰ্ভুক্তিৰ অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছিল। ২০১৫ চনত মুকলি কৰা এই অটল পেন্সন যোজনাৰ জৰিয়তে সকলো ভাৰতীয় নাগৰিকক সামাজিক সুৰক্ষাৰ আওতালৈ আনিবলৈ চেষ্টা কৰা হৈছিল।

ooooo

প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ অধীনত এতিয়াৰে পৰা স্নাতক অন্তিম বৰ্ষ আৰু স্নাতকোত্তৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক সামৰি লোৱা হ'ব বুলি চৰকাৰে উল্লেখ কৰিছে। এই সম্প্ৰসাৰিত ব্যৱস্থাৰ অধীনত ১৮ৰ পৰা ২৫ বছৰ বয়সৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে পি এম আই এছ পোৰ্টেলৰ জৰিয়তে দেশৰ শীৰ্ষ কোম্পানীত বেতনযুক্ত ইণ্টাৰ্ণশ্বিপৰ বাবে আবেদন কৰিব পাৰিব। কৰ্পোৰেট পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে এই ইণ্টাৰ্ণশ্বিপত অংশগ্ৰহণ কৰিবলৈ শিক্ষাৰ্থীসকলে তেওঁলোকে পঢ়ি থকা শিক্ষানুষ্ঠানৰ পৰা এই বিষয়ত যে সংশ্লিষ্ট শিক্ষা প্ৰতিষ্ঠানৰ কোনো ধৰণৰ আপত্তি নাই এই কথা উল্লেখ কৰি এখন প্ৰমাণ-পত্ৰ, **এন-অ'-চি জমা** দিব লাগিব। মন্ত্ৰালয়ে কৈছে যে এই পদক্ষেপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে দেশৰ শীৰ্ষ কোম্পানীসমূহত অতি সোনকালে ইণ্টাৰ্ণশ্বিপৰ সুবিধা লাভ কৰিব বুলি আশা কৰা হৈছে।

ooooo

ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত নিৰাপত্তা সুনিশ্চিত কৰাৰ উদ্দেশ্যে আৰু লগতে বৰ্তমানৰ প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'ব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ভাৰত আৰু ব্ৰিটেইনে সহযোগিতাৰে কাম কৰি যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰতিৰক্ষা বিভাগৰ মুৰব্বী জেনেৰেল অনিল চৌহানে দেশখন ভ্ৰমণ কৰাৰ সময়ত সেই দেশৰ প্ৰতিৰক্ষা বিভাগৰ মুৰব্বী ৰিছাৰ্ড নাইটনৰ সৈতে বৈঠকত মিলিত হৈ দুয়োখন দেশে চাইবাৰ অপৰাধৰ লগতে আন বহুকেইটা গোলকীয় সমস্যা সামৰি ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি আৰু উন্নতি বৰ্তাই ৰখাৰ বিষয়টো লৈ আলোচনা কৰে।

জেনেৰেল চৌহানে ৰয়েল কলেজ অব ডিফেন্স ষ্টাডিজৰ শিক্ষকসকলৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে বৰ্তমানৰ প্ৰতিৰক্ষা কৌশলসমূহৰ সন্দৰ্ভত উচ্চপদস্থ বিষয়াসকলৰ সৈতে কথা পাতে। তেওঁ লগতে ব্ৰিটেইনৰ প্ৰতিৰক্ষা উদ্যোগক নেতৃত্ব দিয়া লোকসকলৰ সৈতে লগ হৈ ভাৰতৰ সৈতে যুটীয়াভাৱে নিৰ্মাণ, প্ৰযুক্তিৰ বিনিময় আৰু সামগ্ৰী যোগান প্ৰক্ৰিয়া খণ্ডিত কৰিব পৰা কাম-কাজ সন্দৰ্ভত আলোচনা কৰে। জেনেৰেল চৌহানে লিউক

পোলাৰ্ড আৰু সীমা মালহেট্ৰাকে ধৰি ব্ৰিটেইনৰ মন্ত্ৰীসকলক লগ ধৰি প্ৰতিৰক্ষা আৰু কৌশলগত ব্যৱস্থা সন্দৰ্ভত ভাৱ-বিনিময় কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্নৌত হ'বলগীয়া এখন খেলত লক্ষ্নৌ ছুপাৰ জায়েণ্টছ ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইফালে, ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মহিলা ক্ৰিকেট দলৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব।

দক্ষিণ আফ্ৰিকাই প্ৰথম দুখন খেলত জয়লাভ কৰি শৃংখলাত আগবাঢ়ি আছে। ভাৰতীয় মহিলা ক্ৰিকেট দলে ছন্দ ঘূৰাই অনাৰ বাবে সংঘৰ্ষ কৰি আছে। দলটোৱে আজিৰ খেলখনত জয়লাভ কৰি শৃংখলাত বৰ্তি ৰখাৰ চেষ্টা চলাব। এই শৃংখলাৰ চতুৰ্থখন খেল শনিবাৰে জোহান্সবাৰ্গত আৰু পঞ্চম তথা অন্তিমখন খেল ২৭ এপ্ৰিলত বেন'নিৰ বিলোমুৰ পাৰ্কত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত